**বিশ্ব সাহিত্য হিচাপে 'আফ্‌কে'জ টেন' ঃ**

বিশ্বসাহিত্য বুলি ক'লে বিশ্বৰ বিভিন্ন দেশৰ বিভিন্ন ভাষাত ৰচিত কালজয়ী আৰু মহৎ সাহিত্যবোৰকে বুজা যায়। বিশ্বায়নে জীৱন নিৰ্বাহৰ অন্যান্য ক্ষেত্ৰৰ দৰে সাহিত্যৰ ক্ষেত্ৰখনতো ব্যাপক প্ৰভাৱ পেলোৱাৰ ফলত বিশ্বৰ বিভিন্ন ভাষাৰ মহৎ ৰচনাবোৰ স্থান-কাল নিৰ্বিশেষে সকলো সাহিত্যপ্ৰেমীৰে কাষ চপোৱাত বিশেষ সহায়ক হ'ল। বিশ্বৰ বিভিন্ন ভাষাৰ যিবোৰ সাহিত্য কৰ্মই সেই দেশৰ বা ভাষাৰ সীমা অতিক্ৰম কৰি অন্য দেশৰ বা ভাষাৰ মানুহকো সমানে আকৰ্ষণ কৰে তেনে সাহিত্য বিশ্বৰ সকলো মানুহৰ বাবে গ্ৰহণীয় আৰু তেনেবোৰ সাহিত্য বিশ্বৰ বিভিন্ন ভাষালৈ ৰূপান্তৰিত হৈ আহিছে। যি সাহিত্য পৃথিৱীৰ বিভিন্ন ঠাইত গৃহীত, স্বীকৃত আৰু অনুদিত হৈছে সেই সাহিত্যই বিশ্বসাহিত্য হিচাপে স্বীকৃতি পোৱাৰ যোগ্যতা লাভ কৰিছে। বিশ্বৰ সকলো মানুহে আনন্দ অনুভৱ কৰা এনে সাহিত্য যিকোনো ভাষাত ৰচিত হ'ব পাৰে।

বিশ্বৰ সকলো দেশৰ, সকলো ভাষাৰ যিবিলাক ৰচনাত সাৰ্বজনীন মানৱীয় ভাৱ-চিন্তা, আৱেগ-অনুভূতিয়ে নিখুঁত শিল্পৰূপ লাভ কৰিছে, তেনে ৰচনাবিলাকৰ বাহিৰৰ ৰূপৰ, যেনে- ভাষা, মানুহৰ পোছাক-পৰিচ্ছদ, খোৱা-বোৱা, আচাৰ-ব্যৱহাৰ, ঘৰ-দুৱাৰ সাজ-পাৰ ইত্যাদিৰ পৃথকতা থাকিলেও, মানৱীয় গুণ আৰু সাহিত্য গুণৰ ফালৰ পৰা কোনো পৃথকতা নাই। সেইবাবে মানুহে কোনো নেদেখা দেশৰ, বপহ শতিকাৰ আগৰ কাহিনী পঢ়িও আনন্দ বা বিষাদ অনুভৱ কৰে। সাহিত্যত মুখামুখি হোৱা মানৱীয় ভাৱনা সহৃদয় পাঠকৰ বাবে নিজা মানৱীয় ভাৱস্বৰূপ হৈ পৰে। গতিকে সাহিত্যৰ বাহ্যিক ৰূপটো তাৰ দেশীয় বা আঞ্চলিক বৈশিষ্ট্যহে, আচল সাহিত্যিক বৈশিষ্ট্য হৈছে ভাৱ আৰু তাৰ শিল্প গুণ- যিটো বিশ্বৰ সকলো মানুহে নিজৰ বুলি গ্ৰহণ কৰিব পাৰে। সেয়াই হৈছে সাহিত্যৰ বিশ্বজনীন ৰূপ। সাহিত্যৰ এই বিশ্বজনীন গুণৰ বাবে কেইটামান বৈশিষ্ট্য থাকিব লাগিব - ক) ভাৱৰ সাৰ্বজনীনতা, খ) বিষয়ৰ গ্ৰহণযোগ্যতা, গ) লক্ষ্যৰ মহত্ব আৰু ঘ) উচ্চস্তৰৰ নান্দনিক মুল্য। এইবোৰ বেশিষ্ট্যসম্পন্ন সাহিত্যহে বিশ্বসাহিত্য হিচাপে স্বীকৃত হ'ব।

আফ্ কে'জ টে'ন উপন্যাসখনত ওপৰত উল্লিখিত বিশ্বসাহিত্যৰ সকলো বৈশিষ্ট্য প্ৰতিফলিত হোৱা দেখা যায়। উপন্যাসখনৰ কাহিনী সুদূৰ হ'লেণ্ডৰ কোনোবা এখন অখ্যাত গাঁৱৰ হ'লেও তাত বৰ্ণিত প্ৰতিটো ঘটনা আমাৰ চকুৰ আগত সদায় ঘটি থকা ঘটনা যেন লাগে। দৰিদ্ৰতাগ্ৰস্ত ঘৰৰ এপাল ল'ৰা-ছোৱালীৰ জঞ্জালেৰে ভৰা সংসাৰ, দিনটোৰ কষ্টৰ শেষত গধূলি পৰিয়ালৰ সকলোৱে একেলগ হৈ লাভ কৰা বিমল আনন্দ, ল'ৰা- ছোৱালীৰ ঠেঁহ-পেচ, কাজিয়া-পেচাল, তাৰ মাজত প্ৰকাশ পোৱা পাৰস্পৰিক মৰম-চেনেহ, সাৰ্বজনীন মানৱীয় অনুভূতিবোৰ পৰিৱেশ অনুযায়ী উপযুক্ত ৰূপত প্ৰকাশ পাইছে। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল।

মাকে ল'ৰা-ছোৱালীকেইটাৰ মাজত পেটিছ ভাগ কৰিব খোঁজোতেই ক্লাঝ আৰু জেট্ছে মাকৰ হাতৰ পৰা থপিয়াই নিয়া শিশুসুলভ দুষ্টালিবোৰ, চিস্কি আৰু বুক্জিয়ে নিজৰ ভাগত পৰা পেটিছ কেইটা চিকুটি-চিকুটি খাওঁতে উফৰি পৰা টুকুৰাবোৰ আঙুলিৰে টিপা মাৰি আনি মুখত ভৰোৱা, কাহানিও খাই নোপোৱা বস্তু পালে সৰু ল'ৰাহ খোৱাতকৈ চাইহে আনন্দ ল'বলৈ বিচাৰে। খাই পেলালে যেন তাৰ আনন্দখিনিও শেষ হৈ যাব। খাই শেষ কৰাৰ পাছতো তাৰ তৃপ্তি এৰিব বিচৰা নাই - আঙুলিকেইটা চেলেকি আছে। এইয়া শিশু চৰিত্ৰৰ চিৰন্তন প্ৰতিচ্ছবি। আন এটা চিত্ৰধৰ্মী বৰ্ণনাই শিশু মনৰ সাৰ্বজনীন ৰূপ প্ৰকাশ কৰিছে - যিটোৱে উপন্যাসখনক বিশ্বসাহিত্যৰ মৰ্যদা প্ৰদান কৰিছে । প্ৰত্যেকটো শিশুৱে নিজৰ প্ৰিয় বস্তু পালে খোৱ বা পিন্ধাতকৈ তাৰ সৌন্দৰ্য চাইহে ভাল পায়। জেট্ছৰ ক্ষেত্ৰতো 'সি লাহেকৈ পাওৰুটি ডোখৰেৰে সৈতে আলু চকলত এটা কামোৰ মাৰি দিলে। কি যে ধুনীয়া লাগিল, আলুৰ চকলটোত তাৰ দাঁতৰ সাঁচটো ! আকৌ একামোৰ বহুৱাই দিলে, আলু চকলৰ আন এটা দাঁতিত। তাৰ পাছত, আলুৰ চকলটো ঘূৰণীয়াকৈ চাৰিওপিনে কামুৰি খাই নিলে। কেউপিনে দাঁতৰ সাঁচবোৰ বুটা তোলা ফুল এপাহৰ

লেখীয়া হৈ পৰিল। ফুল নহয় - তিৰবিৰাই থকা তৰা এটাৰ লেখীয়াহে! চুককেইটা চিকুণ হৈ ফুটি উঠিছে। মাজৰখিনিয়েই খাই আতাইতকৈ ভাল লাগিব। কাৰণ, সেইখিনিতেই আলুচকলৰ আটাইতকৈ মঙহাল অংশটো আছে! চাগৈ বৰ মচমচীয়া লাগিব, সেইখিনি খাবলৈ। . . . ' (পৃ. ১৭)

গাঁৱৰ সীমামূৰত থকা ৰজাদিনীয়া নাওমান দুৰ্গটোৰ পৰা খৰি আনিবলৈ যোৱা জেট্‌ছে আৰু তাৰ লগৰীয়াবোৰক ৰখীয়া লেঙেৰা বুঢ়াটোৱে খেদি অহাৰ পাছত ল'ৰাবোৰে বুদ্ধি কৰি বুঢ়াক চৰিয়া সদৃশ বৰফৰ খালটোত পেলাই ৰং চোৱা কাৰ্যই আমাৰ সমাজত বুঢ়া মানুহক জোকাই গালি খাবলৈ ভাল পোৱা শিশু চামলৈ মনত পেলায়। ৰখীয়া বুঢ়াটো খালত পৰি উঠিব নোৱাৰা হোৱাত ল'ৰাবোৰে ৰং পাই নাচি নাচি চাপৰি বজাই সুৰ ধৰি গোৱা -

'জালত পৰিল বেং।
সুলকি থাকিল কাঠৰ ঠেং।।
ঢেঁকীয়ে মাতিলে ঢেংকুচ্ ঢেংকুচ্।
লেঙেৰা বগালে লেংকুচ্ লেংকুচ্ ।।' এই শিশুৰ ধেমালিৰ গীতটোৱে অসমীয়া সাহিত্যৰ . . . . . .ৰ চুটিগল্প 'মেধি'ৰ মেধি বুঢ়াক সৰু ল'ৰাবোৰে জোকোৱা 'মেধি অ' মেধি, কুকুৰে নিলে খেদি, মেধি পৰিল খালত, কুকুৰে কামুৰিলে গালত' শিশু গীতটোলৈ মনত পেলায়। গতিকে সৰু ল'ৰাই বুঢ়া মানুহক জোকাই ৰং চোৱা কাহিনীৰ সাৰ্বজনীনতাই উপন্যাসখনক বিশ্বজনীনতা প্ৰদান কৰিছে।

মানুহৰ অন্তৰত উদ্ৰেক হোৱা ভয় ঢাকিবৰ বাবে গান গোৱা, সুহুৰি মৰা স্বভাৱবোৰ বিশ্বজনীন। এই উপন্যাসতো জেট্ ছেই গধূলি আন্ধাৰত গাৱঁৰ সীমামূৰীয়া দুৰ্গটোৰ পৰা খৰি আনিবলৈ যাওঁতে ভয় লুকুৱাবলৈ সুহুৰি মৰা কাযৰ্ত বিশ্বজনীনতাৰ প্ৰতিফলন ঘটিছে। সেইদৰে ৰখীয়া বুঢ়াটোৰ চকুত ধূলি দি লুকাই লুকাই খৰি আনিবলৈ যোৱা ল'ৰাবোৰৰ সাহিয়ালকেইটাই দুঃসাহসিক কাম কৰিবলৈ আগবাঢ়ি যাওঁতে সাহ নোহোৱা কেইটাইও কঁপা কঁপা মাতেৰে সাহ দেখুৱা কাৰ্যতো শিশুৰ চিৰন্তন মনস্তত্ব প্ৰকাশ পাইছে।

মাকৰ বাবে বজাৰৰ পৰা এপ্ৰ'ণ কিনিবলৈ গৈ ক্লাঝে কাপোৰৰ দোকানত নতুন কাপোৰৰ থানবোৰৰ পৰা পোৱা মলমলীয়া সুগন্ধ ক্লাঝৰ দৰে প্ৰত্যেক সৰু ল'ৰাৰ বাবেই আশ্চৰ্যকৰ আৰু অপূৰ্ব। সেইদৰে কাপোৰ কিনি লৈ সি মাকক দিবলৈ উন্মাদ হৈ পৰিছে, আনকি এপ্ৰ'ণটো চিলাই নিয়াৰ কথাও পাহৰি গৈছে। কাৰণ তাৰ উপাৰ্জনেৰে মাকৰ বাবে এটা প্ৰয়োজনীয় বস্তু কিনিছে আৰু তাৰ বাবে সি এটা ডাঙৰ ত্যাগ কৰিছে। মাকে তাক ভাল ল'ৰা বুলি প্ৰশংসা কৰাৰ কথা ভাবি সি একেটা দৌৰতে ঘৰ পালেহি। প্ৰত্যেক সৰু ল'ৰাই নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ উদ্‌গ্ৰীৱ হৈ থকা স্বভাৱ ক্লাঝৰ মাজত প্ৰকাশ পাইছে।

ক্লাঝে উইবি আৰু কেঁচুৱাটোক ভয়ংকৰ ধেমালিৰে অত্যাচাৰ কৰা বুলি ভাবি মাকে ক্লাঝক শাস্তি দি পাছত তাৰ ঠেঁহ ভাঙিবলৈ মৰম কৰা, নিজৰ মেঙোলিন কিনা সপোন বাদ দি মাকলৈ এপ্ৰ'ণ কিনি মাকৰ কষ্ট বুজি পোৱা ক্লাঝৰ মৰমত বুৰ গৈ আফ্‌কে তাক মূৰৰ চুলিৰ সমান আয়ুস হ'বলৈ আৰ্শীবাদ দিছে বুকুৰ মাজলৈ টানি নি দুয়োগালে চুমা দি মনৰ আনন্দ প্ৰকাশ কৰিছে আৰু সান্ত্বনা লভিছে। ইয়াত প্ৰকাশ পাইছে মাতৃস্নেহৰ সাৰ্বজনীন ৰূপ।সেইদৰে পুতেকেও মাকৰ সেই মৰমৰ মাজত এক অতুলনীয় পৰম আনন্দ অনুভৱ কৰিছে। ঔপন্যাসিকৰ ভাষাত - 'সঁচাসঁচিকৈ কেতিয়াবা অকলশৰে আইৰ কোলাত উঠি মৰমৰ জুতি লৈ কিবা এক পৰম আনন্দ পোৱা যায় ! সেই আনন্দৰ তুলনা নাই।' (পৃ.- ৩৭)

উপন্যাসখনৰ চৰিত্ৰৰ নামকৰণ, বৰফাবৃত পৰিবেশৰ বৰ্ণনাৰ বাহিৰে বাকী সকলো ঘটনা অসমীয়া সমাজৰ লগত অভিন্ন। এইক্ষেত্ৰত যদিও অনুবাদকৰ দক্ষতাৰ কথা কোৱা হয়, তথাপিও মানৱ মনৰ চিৰন্তন সুক্ষ্ম অনুভূতিবোৰৰ অমিল নাই, আৰু এইবোৰ শ্বাশ্বত ৰূপত ডাঙি ধৰি উপন্যাসখনত বিশ্বজনীন আবেদন ফুটাই তুলিছে।

দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজি যুঁজি হাৰ নমনা পৰিয়ালৰ সদস্যসকলে যেতিয়া দিনটোৰ কঠোৰ শাৰিৰীক পৰিশ্ৰমৰ